# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-01-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

পহিলা মাঘ উপলক্ষে আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন মঠ-মন্দিৰ, নামঘৰ আৰু অন্য ধৰ্মীয় উপাসনাস্থলীসমূহত অগণন লোকৰ সমাগম হয়। ৰাজ্যৰ বিভিন্ন ঠাইৰ সত্ৰ-নামঘৰসমূহত আজি জনসাধাৰণে শৰাই আগবঢ়াই পূজা-অৰ্চনা কৰাৰ লগতে ঠায়ে ঠায়ে পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে মাঘ বিহুৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

নগাঁও জিলাৰ নেহৰুবালিত যোৱা ১৩ জানুৱাৰীৰ পৰা অনুষ্ঠিত ছদিনীয়া ভোগালী বিহুৰ কাৰ্যসূচীত আজি মন্ত্ৰী পীযূষ হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে বিহুৰ সাংস্কৃতিক শোভাযাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে।

**চৰাইদেউ** জিলাত মাঘ বিহু উপলক্ষে আয়োজন কৰা সম্প্ৰীতিৰ ভোগালী জলপান শীৰ্ষক এটা অনুষ্ঠানত পৰিবহণ মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে।

টাই-আহোম যুৱ পৰিষদৰ উদ্যোগত **শিৱসাগৰ** জিলাৰ ৰংঘৰ বাকৰিৰ ৰূপহী পথাৰত মাঘ বিহুৰ সৈতে সংগতি ৰাখি ৰংপুৰ মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত বিভিন্ন জনগোষ্ঠীৰ নৃত্য পৰিৱেশনৰ লগতে ৰছি টনা, কড়ি খেল আদিকে ধৰি ভালেমান পৰম্পৰাগত খেল-ধেমালি অনুষ্ঠিত হয়। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ সব্যসাচী মহন্তই মেলাৰ সৈতে সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতি গ্ৰন্থ উন্মোচন কৰে।

**বৰপেটা** জিলাৰ সত্ৰকেন্দ্ৰিক পৰম্পৰাত আজিহে মাঘ বিহুৰ মেজি জ্বলোৱা হয়। নিয়ম অনুসৰি বৰপেটা সত্ৰৰ টুপৰ চোতালত ভকতসকলে সজা মেজিত অগ্নিসংযোগ কৰাৰ পাছত সত্ৰৰ বাহিৰৰ স্থানসমূহত সজা মেজিসমূহ জ্বলোৱা হয়।

ooooo

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি শিৱসাগৰত টাই-আহোম যুৱ পৰিষদে আয়োজন কৰা পঞ্চদশ বাৰ্ষিক ৰংপুৰ মেলা শীতকালীন উৎসৱত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ৰংপুৰ মেলাৰ বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী উপভোগ কৰি আয়োজকসকলৰ প্ৰচেষ্টাৰ শলাগ লয়। ইয়াৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবৰুৱাই ৰাজ্য চৰকাৰে জিলাখনৰ পৰ্যটনৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। শিৱদৌল, জয়দৌল, তলাতল ঘৰ, ৰংঘৰ, কাৰেংঘৰ আদিকে ধৰি আহোম সাম্ৰাজ্যৰ ঐতিহাসিক সমলেৰে ভৰি থকা শিৱসাগৰ জিলাৰ পৰ্যটনৰ বিকাশৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন আন্তঃগাঁথনিৰ প্ৰভূত উন্নয়ন কৰিব পৰা যাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

শ্ৰীবৰুৱাই ইয়াৰ পূৰ্বে শিৱসাগৰ জিলা বিজেপিৰ অস্থায়ী কাৰ্যালয় উদ্বোধন কৰি দলৰ কাৰ্যকৰ্তা আৰু বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। এই কাৰ্যসূচীত মন্ত্ৰীগৰাকীৰ সৈতে বিধায়ক সুশান্ত বৰগোহাঁই, জিলা সভাপতি বিতুপন ৰায়দঙিয়াকে ধৰি অন্যান্য নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু্ৰে আজি কাজিৰঙাৰ অগৰাতলী বনাঞ্চল পৰিদৰ্শন কৰে। অগৰাতলীৰ চহলা বিলত বিভিন্ন পৰিভ্ৰমী পক্ষী দৰ্শন কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে চলিত বৰ্ষত অগৰাতলীত পক্ষী মহোৎসৱ আয়োজনৰ পৰিকল্পনাৰ বিষয়ে অৱগত কৰে। পক্ষীপ্ৰেমীসকলৰ কাৰণে ভূস্বৰ্গস্বৰূপ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সৰ্বমুঠ ৫০০বিধ প্ৰজাতিৰ পক্ষী স্থায়ীভাৱে পোৱা যায়। এছীয় ধনেশ, উলুম'ৰাৰ দৰে বিৰল প্ৰজাতিৰ পক্ষীয়েও কাজিৰঙাক আৱাসস্থল হিচাপে গ্ৰহণ কৰে। ইয়াৰ উপৰি শীতকালত চাইবেৰিয়া, আলাস্কা, মানস সৰোবৰ ইত্যাদি ঠাইসমূহৰ পৰা পৰিভ্ৰমী পক্ষীৰো ৰাষ্ট্ৰীয় উদ্যানখনৰ জলাহ্ অঞ্চললৈ আগমন ঘটে।

ooooo

মকৰ সংক্ৰান্তি উপলক্ষে চাহ জনগোষ্ঠী বসতিপ্ৰধান অঞ্চলসমূহত আজি কৃষিভিত্তিক উৎসৱ টুচু পূজা উদযাপন কৰা হৈছে। এই উপলক্ষে উজনি অসমৰ বিভিন্ন চাহ বাগানসমূহৰ চাহ জনগোষ্ঠীসমূহৰ উপাস্য দেৱী টুচুৰ বাৰ্ষিক পূজা উলহ-মালহেৰে আয়োজন কৰে। গোলাঘাট জিলাৰ বোকাখাটৰ লতাবাৰীৰ আহোম গাঁৱৰ মুকলি পথাৰত চাহ জনগোষ্ঠীৰ লোকসকলে পাৰম্পৰিক খেল-ধেমালিৰ আয়োজন কৰে। এই উৎসৱত অংশগ্ৰহণ কৰিবলৈ শিৱসাগৰ, যোৰহাট, নগাঁও ইত্যাদি জিলাসমূহৰ অগণন লোক সমবেত হয়।

চাহ জনগোষ্ঠীৰ লোকসকলে মাঘ বিহুৰ দিনাই এই বিশেষ পূজাৰ আয়োজন কৰে। যুৱক-যুৱতী আৰু নৱ বিবাহিত দম্পতীয়ে এই পূজাত টুচু দেৱীক সাক্ষী কৰি আজীৱন সুখী যুৰীয়া জীৱনৰ কাৰণে প্ৰাৰ্থনা কৰে। পূজাত ঝুমুৰ নৃত্য-গীতৰ আয়োজন কৰা হয়। টুচু দেৱীক মনসা, দুৰ্গা আৰু সীতাৰ সৈতে ৰিজনী দি ডেকা-গাভৰুসকলে ঘৰে ঘৰে গৈ অৰিহনা সংগ্ৰহ কৰে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰতিদিনে পুৱা ৭ বাজি ৫৫ মিনিট আৰু সন্ধিয়া ৬ বজাত প্ৰচাৰ কৰি অহা বাতৰিত উজনিৰ বাতৰি বুলি নামকৰণ কৰাৰ বাবে কিছুসংখ্যক শ্ৰোতাই আপত্তি দৰ্শোৱা বাতৰি বিভাগৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত বাতৰি বিভাগে স্পষ্ট কৰিব বিচাৰে যে, ৰাজ্যখনক উজনি আৰু নামনি নামেৰে বিভাজন কৰাৰ কোনো উদ্দেশ্য বাতৰি বিভাগৰ নাই। আকাশবাণীৰ সঞ্চালকালয়ৰ নিৰ্দেশমৰ্মে পূৰ্বে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত বাতৰি বুলেটিন বৰ্তমান গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা হৈছে। সেয়েহে এই বাতৰিক উজনিৰ বাতৰিৰূপে নামকৰণ কৰা হৈছিল। তৎসত্তেও শ্ৰোতাসকলৰ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা জনাই আজিৰে পৰা এই দুয়োখন বাতৰি বুলেটিনক উজনি অসমৰ বাতৰিৰূপে নামকৰণ কৰা হৈছে। এই বাতৰি বুলেটিনকো অসমৰ সকলো শ্ৰোতাই আদৰি ল'ব বুলি আশা কৰা হৈছে।

ooooo

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি ফিলিপাইনছৰ ৰাষ্ট্ৰপতি বং বং মাৰ্কছ'ক সাক্ষাৎ কৰে। এই বৈঠকৰ সময়ত দুয়োগৰাকী নেতাই ভাৰত আৰু দেশখনৰ মাজৰ পুৰণি মৈত্ৰীপূৰ্ণ সম্পৰ্কক

অধিক সুদৃঢ় কৰাৰ বিভিন্ন উপায় সম্পৰ্কে আলোচনা কৰে। ইয়াৰ পূৰ্বে বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰীগৰাকীয়ে ফিলিপাইনছৰ ৰাজধানী মেনিলাৰ এখন প্ৰখ্যাত শিক্ষানুষ্ঠান মিৰিয়ম মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে মত বিনিময় অনুষ্ঠানত ভাগ লয়। তেওঁ লগতে দেশখনত বাস কৰা প্ৰবাসী ভাৰতীয় সকলৰ বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু ব্যৱসায়িক সংস্থাৰ সৈতেও গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। পাছত শ্ৰীমাৰ্ঘেৰিটাই দেশখনৰ বিদেশ মন্ত্ৰী এনৰিক মানলোৰ সৈতে কূটনৈতিক বৈঠকতো অংশ লয়। ৭ দিনীয়া বিদেশ ভ্ৰমণসূচীৰে ব্যস্ত থকা কেন্দ্ৰীয় বিদেশ মন্ত্ৰীগৰাকীয়ে কাইলৈ প্ৰশান্ত মহাসাগৰীয় দ্বীপৰাষ্ট্ৰ পালাওৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতিৰ শপতগ্ৰহণ অনুষ্ঠানত দেশক প্ৰতিনিধিত্ব কৰিব।

ooooo

সমাপ্ত